জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৯১/২০২২**

ৰাজ্যৰ সামগ্ৰিক উন্নয়নৰ বাবে কৰ্মসূচী প্ৰস্তুত কৰিবলৈ সদগুৰুৰ সৈতে মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিলে চিন্তন শিবিৰ

## ৰাজ্যখনক বিকাশৰ চৰম শিখৰলৈ লৈ যোৱাৰ বাবে এক নিৰন্তৰ যাত্ৰাপথত চৰকাৰ আগবাঢ়িছে ঃ মুখ্যমন্ত্ৰী

## ভূমিৰ ব্যৱহাৰ সম্পৰ্কত ঈশা ফাউণ্ডেশ্যনৰ সৈতে চুক্তি স্বাক্ষৰিত

## পৰ্যটকৰ বাবে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰিলে মুখ্যমন্ত্ৰী আৰু সদগুৰুৱে

**দিছপুৰ, ২৪ ছেপ্টেম্বৰ** ঃ ৰাজ্যখনৰ বিকাশৰ গতি ত্বৰান্বিত কৰা আৰু সকলো দিশতে ৰাজ্যখনক এক আৰ্হি হিচাপে গঢ়ি তোলাৰ বাবে বিতং আলোচনাৰ মাধ্যমেৰে এক কৰ্মসূচী প্ৰস্তুত কৰাৰ উদ্দেশ্যে আজি কাজিৰঙাত আধ্যাত্মিক গুৰু সদগুৰু জগ্গী বাসুদেৱৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত চিন্তন শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

তিনিদিনীয়া এই চিন্তন শিবিৰত মুখ্যমন্ত্ৰী, অন্যান্য কেবিনেট মন্ত্ৰী, ৰাজ্যৰ জ্যেষ্ঠ আমোলা, অন্যান্য ৰাজ্যৰ আমোলা, প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা সমিতিৰ বিষয়ববীয়াসকলে সবিশেষ আলোচনাত মিলিত হ'ব।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম এসময়ত অতি সমৃদ্ধিশালী ৰাজ্য আছিল আৰু ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন ৰাষ্ট্ৰীয় হাৰতকৈও অধিক আছিল। ৰাজ্যখনৰ জনমুৰি আয়ও ৰাষ্ট্ৰীয় জনমুৰি আয়তকৈ অধিক আছিল বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাষ্ট্ৰৰ বিকাশত অসমে যথেষ্ট অৰিহণা যোগাই আহিছে যদিও যোৱা ৭৫ বছৰত ৰাজ্যখনৰ বিকাশ যি ধৰণে হ'ব লাগিছিল সেয়া আশা কৰা ধৰণে হৈ উঠা নাছিল। ১৯৫০ চনৰ বৰ ভূমিকম্প আৰু তাৰ ফলস্বৰূপে ধাৰাবাহিক পৰিঘটনা হিচাপে দেখা দিয়া বানপানী আৰু অন্যান্য ঘটনা প্ৰৱাহৰ ফলত ৰাজ্যবাসীৰ মনোজগতত নেতিবাচক প্ৰভাৱ পৰিছিল। এই মন্তব্য কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত একাধিক পদক্ষেপ গ্ৰহণ কৰাৰ ফলত অসমে আজি উন্নয়নৰ দিশত এক নতুন গতি লাভ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যখনক বিকাশৰ চৰম শিখৰলৈ লৈ যোৱাৰ বাবে চৰকাৰে ইতিমধ্যে দৃঢ়তাৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে ৰাজ্য চৰকাৰে এক নিৰ্দিষ্ট ভৱিষ্যদৰ্শনেৰে কাম কৰি আহিছে। ইয়ে জনসেৱাৰ প্ৰতি থকা ৰাজ্য চৰকাৰৰ দায়বদ্ধতাকে প্ৰতীয়মান কৰিছে।

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

চিন্তন শিবিৰক সম্বোধন কৰিবলৈ কাজিৰঙালৈ অহা বাবে সদগুৰুক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে সদগুৰুৰ প্ৰজ্ঞা আৰু তেওঁৰ চিন্তা-চৰ্চাই চৰকাৰখনক ৰাজ্যৰ সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক আৰু শৈক্ষিক সৰলীকৰণৰ দিশত সহায় কৰিব আৰু ইয়াৰ উন্নয়নৰ ফল ৰাজ্যৰ জনসাধাৰণে লাভ কৰিবলৈ সক্ষম হ'ব।

এই চিন্তন শিবিৰত অংশ লোৱা বিষয়াসকলক সম্বোধন কৰি সদগুৰুয়েও ভাষণ প্ৰদান কৰে। আনহাতে, ঈশা ফাউণ্ডেশ্যনৰ হৈ প্ৰতিনিধিত্ব কৰা সদগুৰু আৰু ৰাজ্য চৰকাৰৰ হৈ মুখ্যমন্ত্ৰীয়ে আজি এক বুজা-বুজিৰ চুক্তিতো স্বাক্ষৰ কৰে। 'ভূমি সুৰক্ষা আন্দোলন' বিষয়ক স্বাক্ষৰিত এই বুজা-বুজিৰ চুক্তিখনে মূলত কৃষি পদ্ধতিৰ বাবে মাটিৰ বহনক্ষম ব্যৱহাৰৰ ক্ষেত্ৰত ৰাজ্যখনক এক পথ প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব।

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে আজি কাজিৰঙাৰ মিহিমুখত সদগুৰুৰ উপস্থিতিত তিনিটাকৈ গঁড়ৰ মূৰ্তি উন্মোচন কৰে। উল্লেখ্য যে গঁড়ৰ খৰ্গ দহনৰ ফলত সৃষ্টি হোৱা ছাঁই সংগ্ৰহ কৰি এই প্ৰতিমূৰ্তি নিৰ্মাণত ব্যৱহাৰ কৰা হৈছে। উল্লেখ্য যে ২০২১ চনৰ ২২ ছেপ্টেম্বৰত অসম চৰকাৰে মজুত ৰখা ২৪৭৯ টা গঁড়ৰ খৰ্গ দহন কৰি এক ইতিহাস ৰচনা কৰাৰ লগতে চোৰাং চিকাৰী আৰু অবৈধ খৰ্গ ব্যৱসায়ীসকললৈ এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছিল যে গঁড়ৰ খৰ্গৰ কোনো ঔষধি মূল্য নাই। গঁড়ৰ এই মূৰ্তিবোৰে অসমৰ গৌৰৱ কাজিৰঙাৰ এশিঙীয়া গঁড়ক সুৰক্ষিত কৰা আৰু অসমৰ গৌৰৱ প্ৰতিপন্ন কৰাৰ দিশতো প্ৰভাৱ পেলাব।

মুখ্যমন্ত্ৰীয়ে সদগুৰুৰ উপস্থিতিত আজি কাজিৰঙাৰ মিহিমুখত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে মুকলি কৰে। এই উপলক্ষে মুখ্যমন্ত্ৰীক কাষৰ আসনত বহুৱাই সদগুৰুৱে মিহিমুখৰ পৰা উলিওৱা এক জীপ ছাফাৰীও কৰে। এই কাৰ্যসূচীত পৰ্যটন মন্ত্ৰী জয়ন্তমল্ল বৰুৱাও উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**২৪/০৯/২০২২**